**REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 05-JUNE-2026
**Time :** 12:05 HRS

***Assamese 12.05 PM Bulletin***

——————————————

১। মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মা নেতৃত্বাধীন অসম মন্ত্ৰীসভাত স্থান লাভ কৰা ১২ গৰাকী মন্ত্ৰীৰ আজি শপত গ্ৰহণ।

২। আজি বিশ্ব পৰিৱেশ দিৱস। পৃথিৱী আৰু প্ৰকৃতিক সুৰক্ষাৰ উদ্দেশ্যে সজাগতা সৃষ্টিৰ লক্ষ্যৰে বিশ্বজুৰি এই দিৱস পালন।

৩। কাছাৰৰ আৰকাটিপুৰৰ অবৈধভাৱে দখলিকৃত ভূমিত আজি জিলা প্ৰশাসনৰ উচ্ছেদ অভিযান।

**আৰু**

৪। ল'ৰাৰ ১৮ বছৰ অনুৰ্ধ এচিয়া কাপ হকী টুৰ্নামেণ্টৰ চেমিফাইনেলত আজি ভাৰত আৰু পাকিস্তান মুখামুখি।

০০০০০০

মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মা নেতৃত্বাধীন অসম মন্ত্ৰীসভাত স্থান লাভ কৰা ১২ গৰাকী মন্ত্ৰীয়ে আজি শপত গ্ৰহণ কৰিব। খানাপাৰাৰ জ্যোতি-বিষ্ণু আন্তৰ্জাতিক কলা মন্দিৰত দিনৰ ১২ বাজি ৪৫ মিনিটত হ'বলগীয়া অনুষ্ঠানত ৰাজ্যপাল লক্ষ্মণপ্ৰসাদ আচাৰ্যই নতুন মন্ত্ৰীসকলক শপতবাক্য পাঠ কৰোৱাব।

আমাৰ আগৰ বাতৰিতেই কোৱা হৈছে যে, মুখ্যমন্ত্ৰী ড° শৰ্মাই কালি সম্প্ৰসাৰিত মন্ত্ৰীসভাত স্থান লাভ কৰা এন ডি এৰ ১২গৰাকী বিধায়কৰ নাম আনুষ্ঠানিকভাৱে ঘোষণা কৰে। ইয়াৰে ১১ গৰাকী বিজেপিৰ আৰু এগৰাকী অসম গণ পৰিষদৰ। সম্প্ৰসাৰিত মন্ত্ৰীসভাত গোলকগঞ্জৰ অশ্বিনী ৰয় সৰকাৰ, ঢেকিয়াজুলিৰ অশোক সিংহল, টিংখাঙৰ বিমল বৰা, তামুলপুৰৰ বিশ্বজিৎ দৈমাৰী, নলবাৰীৰৰ জয়ন্ত মল্ল বৰুৱা, লক্ষীপুৰৰ কৌশিক ৰায়, কলিয়াবৰৰ কেশৱ মহন্ত, পাথাৰকান্দিৰ কৃষ্ণেন্দু পাল, মঙলদৈৰ নীলিমা দেৱী, জাগীৰোডৰ পীযুষ হাজৰিকা, ধেমাজিৰ ডাঃ ৰণোজ পেগু আৰু ডিমৌৰ বিধায়ক সুশান্ত বৰগোঁহাইয়ে স্থান লাভ কৰিছে।

নতুন মন্ত্ৰীসভাত অন্তৰ্ভুক্ত হোৱা মঙলদৈৰ বিধায়িকা নীলিমা দেৱীয়ে সংবাদ মাধ্যমৰ আগত এনেদৰে মনৰ ভাব ব্যক্ত কৰে-

*(বাইট)*

০০০০০০

আজি বিশ্ব পৰিৱেশ দিৱস। পৃথিৱী আৰু প্ৰকৃতিক সুৰক্ষাৰ বাবে ইতিবাচক পৰিৱেশ সম্পৰ্কীয় কাৰ্যকৰী ব্যৱস্থা গ্ৰহণৰ উদ্দেশ্যে বিশ্বজুৰি সজাগতা সৃষ্টিৰ লক্ষ্যৰে এই দিৱস পালন কৰা হয়। ১৯৭৩ চনৰ পৰা ৰাষ্ট্ৰসংঘৰ

পৰিৱেশ কাৰ্যসূচীৰ অংশ হিচাপে প্ৰতিবছৰে ৫ জুনত এই দিৱস পালন কৰি অহা হৈছে। এইবাৰ এই দিৱসৰ বিষয়বস্তু হৈছে – 'প্ৰকৃতিৰ পৰা অনুপ্ৰেৰণা লাভ। আমাৰ জলবায়ু আৰু আমাৰ ভৱিষ্যতৰ বাবে'।

বিশ্ব পৰিৱেশ দিৱসৰ সৈতে সংগতি ৰাখি আজি ৰাজ্যত এক কোটি গছপুলি ৰোপণৰ লক্ষ্য লোৱা হৈছে। আত্মসহায়ক গোটৰ ৩৫ লাখতকৈ অধিক মহিলাই এই অভিযানত অংশ লৈছে। ৰাজ্য চৰকাৰে বৃহৎ পৰিসৰৰ বনানিকৰণ, স্বচ্ছ শক্তিৰ প্ৰসাৰ আৰু আধুনিক প্ৰযুক্তিৰ ব্যৱহাৰৰ জৰিয়তে পৰিৱেশৰ সুৰক্ষা আৰু বহনক্ষম উন্নয়নক অগ্ৰাধিকাৰ দিয়াৰ বাবে এই পদক্ষেপ গ্ৰহণ কৰিছে।

সমগ্ৰ শিক্ষা অসমৰ অধীনত বিশ্ব পৰিবেশ দিৱস উপলক্ষে কেতবোৰ কাৰ্যসূচী গ্ৰহণ কৰা হৈছে। এই অনুসৰি আজিৰে পৰা ৩০ জুনলৈ ইকো ক্লাব্‌ছ ফৰ মিছন লাইফৰ পৃষ্ঠপোষকতাত সেউজ গ্ৰীষ্ম শিবিৰৰ আয়োজন কৰা হৈছে। তদুপৰি প্ৰতিখন বিদ্যালয়ত 'মাতৃৰ নামত এজোপা গছ' শীৰ্ষক কাৰ্যসূচীৰ তৃতীয় সংস্কৰণ ৰূপায়ণ কৰা হৈছে। শিক্ষাৰ্থী, শিক্ষক আৰু অভিভাৱকৰ জৰিয়তে এইবাৰ ২৮ লাখ ৩৬ হাজাৰ ২৩২ টা গছপুলি ৰোপণ কৰা হ'ব।

কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যান কৰ্তৃপক্ষই বিশ্ব পৰিৱেশ দিৱস উপলক্ষে আমগুৰি বাগান এলেকাত আজি বন বাঁহ ৰোপণ কৰে। ইপিনে কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যান আৰু ব্যঘ্ৰ সংৰক্ষণ ক্ষেত্ৰই পৰিৱেশ দিৱসৰ ইতিবাচক চিন্তা হিচাপে স্থানীয় ইক'ছপক এমাজন আৰু চৰকাৰী ই-বজাৰ অৰ্থাৎ জি ই এম ডিজিটেল প্লেটফৰ্মত মুকলি কৰিছে। ইয়াৰ জৰিয়তে স্থানীয় মহিলাসকলে প্ৰস্তুত কৰা জৈৱ বৈচিত্ৰ্যভিত্তিক সামগ্ৰী সমূহক দেশীয় আৰু আন্তঃৰাষ্ট্ৰীয় বজাৰ প্ৰদানৰ প্ৰয়াস কৰা হৈছে। উল্লেখযোগ্য যে উদ্যান কৰ্তৃপক্ষই বিশেষ প্ৰশিক্ষণৰ জৰিয়তে মেটেকা, তাঁতশাল আৰু কাঠৰ সামগ্ৰী নিৰ্মাণত মহিলাসকলক দক্ষ কৰি তুলিছে।

০০০০০০

ধেমাজি জিলাৰ জোনাইৰ লুহিজান গাঁৱত আজি পুৱতি নিশা বিদ্যুৎস্পৃষ্ট হৈ এটা বনৰীয়া হাতী মৃত্যুমুখত পৰে। বনাঞ্চলৰ পৰা খাদ্যৰ সন্ধানত ওলাই অহা হাতীটোৱে গাঁওখনৰ এটা পৰিয়ালৰ ভঁৰালৰ কাষত বিদ্যুস্পৃষ্ট হৈ মৃত্যুক সাৱটি লয় বুলি আকাশবাণী ধেমাজিৰ সংবাদদাতাই জানিবলৈ দিছে। উল্লেখযোগ্য যে পবা সংৰক্ষিত বনাঞ্চলৰ পৰা খাদ্যৰ সন্ধানত গাঁওখনলৈ অহা বনৰীয়া হাতীৰ জাকে বাৰীৰ শস্য খাই তহিলং কৰাৰ লগতে ঘৰ-দুৱাৰ ভাঙি লণ্ডভণ্ড কৰা বুলি স্থানীয় ৰাইজে বন বিভাগক দীৰ্ঘদিন ধৰি অভিযোগ দাখিল কৰি অহাৰ পাছতো বিভাগটোৱে কোনো ব্যৱস্থা নোলোৱা বুলি অভিযোগ উত্থাপিত হৈ আহিছে। এনে প্ৰেক্ষাপটত বন্যহস্তীৰ পৰা ৰক্ষা পাবলৈ গঞাই ভঁৰাল আৰু ঘৰৰ আশেপাশে বিদ্যুতৰ পোহৰৰ ব্যৱস্থা কৰি ল'বলগীয়া হৈছে। এনে ধৰণৰ বিদ্যুতৰ তাঁৰৰ সংস্পৰ্শলৈ আহি প্ৰায় ৫০ বছৰ বয়সীয়া দঁতাল হাতীটোৱে কৰুণভাৱে মৃত্যুক সাৱটি লয় বুলি স্থানীয় ৰাইজে সন্দেহ প্ৰকাশ কৰিছে। ইতিমধ্যে ঘটনাস্থলীত আৰক্ষী আৰু বন বিভাগৰ লোক উপস্থিত হৈ ঘটনাটোৰ তদন্ত আৰম্ভ কৰিছে।

০০০০০০

গোৱালপাৰা বন সংমণ্ডলে কেন্দ্ৰীয় সংৰক্ষিত আৰক্ষী বাহিনীৰ সহযোগত আজি উচ্ছেদিত এলেকাত গছপুলি ৰোপণ কৰি বিশ্ব পৰিৱেশ দিৱস পালন কৰে। জিলাখনত বিগত বছৰটোত উচ্ছেদ চলোৱা বিভিন্ন অঞ্চলত পৰ্যায় ক্ৰমে গছপুলি ৰোপণ কৰা হৈছে। আজি দহিকতা লেৱাবাৰী অঞ্চলৰ খালী হৈ থকা ১৬ হেক্টৰ মাটিত গছপুলি ৰোপণ কৰা হৈছে। আজিৰ দিনটোত মুঠ ছহাজাৰ পুলি ৰোপণৰ লক্ষ্য লোৱা হৈছে।

দক্ষিণ শালমাৰা মানকাচৰ জিলাৰ ভাৰত-বাংলাদেশ সীমান্তৰ ১৩টা বি এছ্ এফ শিবিৰৰ লগতে বৰাইৰ আলগা বি এছ্ এফ নিৰীক্ষণ চকীৰ চৌহদত আজি গছ্ পুলি ৰোপণ কৰা হয়। পঞ্চায়তৰ প্ৰতিনিধিসকলেও এই কাৰ্যসূচীত অংশ লয়।

০০০০০০

উচ্চ শিক্ষা সঞ্চালকালয়ৰ অধীনত ৰূপায়িত চৰকাৰী আঁচনিসমূহৰ সুবিধা লাভ কৰাৰ বাবে ছাত্ৰ-ছাত্ৰীসকলৰ আধাৰ কাৰ্ড আৰু আধাৰৰ সৈতে সংযুক্ত বেংক একাউণ্ট বাধ্যতামূলক কৰা হৈছে। এই সন্দৰ্ভত উচ্চ শিক্ষা সঞ্চালকালয়ৰ পৰা বিশ্ববিদ্যালয়সমূহৰ পঞ্জীয়ক আৰু মহাবিদ্যালয়সমূহৰ অধ্যক্ষলৈ পত্ৰ প্ৰেৰণ কৰা হৈছে। পত্ৰখনত উল্লেখ কৰা অনুসৰি মাচুল ৰেহাই আঁচনি, মুখ্যমন্ত্ৰী নিযুত মইনা আঁচনি আৰু মুখ্যমন্ত্ৰী নিযুত বাবু আচনিৰ সুবিধা লাভ কৰাৰ বাবে শিক্ষাৰ্থীৰ আধাৰ কাৰ্ড আৰু আধাৰৰ সৈতে সংযুক্ত বেংক একাউণ্ট বাধ্যতামূলক কৰা হৈছে। সেই অনুসৰি ছাত্ৰ-ছাত্ৰীৰ বৈধ আধাৰকাৰ্ড সম্পৰ্কীয় তথ্য সমৰ্থ প'ৰ্টেলৰ অন্তৰ্ভুক্ত কৰিবলৈ শিক্ষা প্ৰতিষ্ঠানসমূহক নিৰ্দেশ দিয়া হৈছে। আনহাতে আধাৰ কাৰ্ড নথকা ছাত্ৰ-ছাত্ৰীসকলৰ আধাৰ কাৰ্ড শীঘ্ৰেই প্ৰস্তুত হোৱাটো নিশ্চিত কৰিবলৈও শিক্ষা প্ৰতিষ্ঠানসমূহক নিৰ্দেশ দিয়া হৈছে।

০০০০০০

কাছাৰৰ উধাৰবন্দৰ আৰকাটিপুৰৰ অবৈধভাৱে দখলিকৃত ভূমিত আজি জিলা প্ৰশাসনে উচ্ছেদ অভিযান চলায়। জিলা প্ৰশাসনে আৰকাটিপুৰ আৰু দয়াপুৰ অঞ্চলত পুৱাৰে পৰা চলোৱা অভিযানত শতাধিক বাসগৃহ উচ্ছেদ কৰা হয়। উচ্ছেদ অভিযানত ২০ খনতকৈও অধিক বুলড'জাৰ ব্যৱহাৰ কৰা হৈছে। আমাৰ কাছাৰৰ সংবাদদাকাই জনোৱা মতে বৰাক উপত্যকাত ভাৰতমালা প্ৰকল্পৰ অধীনত নিৰ্মিয়মান পথক কেন্দ্ৰ কৰি চৰকাৰৰ পৰা ক্ষতিপূৰণৰ ধন আত্মসাৎ কৰাৰ লক্ষ্যৰে কোনো অসাধু চক্ৰই নিশাৰ ভিতৰতে আৰকাটিপুৰ আৰু দয়াপুৰ অঞ্চলত শ শ অবৈধ ঘৰ, পুলি বাগান আদি নিৰ্মাণ কৰে। সংবাদমাধ্যমে এই তথ্য ফাদিল কৰাৰ পাছতে কাছাৰ জিলা প্ৰশাসনে তাৎক্ষণিকভাৱে উচ্ছেদ অভিযান চলায়। পৰিস্থিতি নিয়ন্ত্ৰন তথা এই অভিযান সফলভাৱে সমাপ্ত কৰাৰ বাবে প্ৰায় এহেজাৰ আৰক্ষী আৰু চি আৰ পি এফৰ জোৱান নিয়োগ কৰা হৈছে।

০০০০০০

গোলাঘাট জিলাৰ উৰিয়ামঘাটত উচ্ছেদ অভিযানৰ পাছত মুকলি হোৱা দখলিকৃত অঞ্চলত বনানিকৰণ, পৰ্যটন আৰু নিবনুৱা সংস্থাপনৰ বাবে সৰুপথাৰ সমষ্টিৰ বিধায়ক বিশ্বজিৎ ফুকনৰ নেতৃত্বত বিশেষ ব্যৱস্থা লোৱা হৈছে। এই অনুসৰি ৰেংমা বনাঞ্চলত প্ৰায় ৫ হাজাৰ নাহৰপুলি ৰোপণ কৰি জুবিন গাৰ্গ নাহৰ উদ্যান গঢ়ি তোলাৰ লক্ষ্য লোৱা হৈছে। প্ৰায় ১০০ বিঘা মাটিত গঢ়ি উঠিবলগীয়া এই উদ্যানে অঞ্চলটোৰ প্ৰাকৃতিক সৌন্দৰ্য বৃদ্ধিৰ উপৰি পৰ্যটন আৰু সংস্থাপনৰ নতুন দিশ মুকলি কৰিব বুলি আশা কৰা হৈছে।

০০০০০০

ল'ৰাৰ ১৮ বছৰ অনুৰ্ধ এচিয়া কাপ হকী টুৰ্নামেণ্টৰ চেমিফাইনেলত আজি ভাৰত আৰু পাকিস্তানৰ মুখামুখি হ'ব। খেলখন জাপানৰ কাকামিগহৰা হকী ষ্টেডিয়ামত অনুষ্ঠিত হ'ব। ইপিনে ছোৱালীৰ ১৮ বছৰ অনুৰ্ধ এচিয়া কাপৰ চেমি ফাইনেলত   আজি ভাৰত চীনৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব।

০০০০০০

গুৱাহাটীৰ অৰ্জুন ভোগেশ্বৰ বৰুৱা ক্ৰীড়া প্ৰাংগনত অহা ৭ জুনৰ পুৱা ৬ বজাৰ পৰা ছানডেজ অন চাইকেল কাৰ্যসূচীৰ আয়োজন কৰা হৈছে। বিশ্ব বাইচাইকেল দিৱস, ২০২৬-ৰ ৭৭ সংখ্যক সংস্কৰণৰ সৈতে সংগতি ৰাখি এই কাৰ্যসূচীৰ আয়োজন কৰা হৈছে। জনসাধাৰণক এটা সুস্থ আৰু সক্ৰিয় জীৱনৰ বাবে উৎসাহিত কৰাৰ উদ্দেশ্যে ভাৰত চৰকাৰৰ ফিট ইণ্ডিয়া অভিযানৰ অধীনৰ নিয়মীয়াকৈ ছানডেজ অন চাইকেল কাৰ্যসূচী অনুষ্ঠিত হৈ আহিছে। কাৰ্যসূচীৰ অংশ হিচাপে চাইকেল সমদল, জুম্বা আৰু যোগ অনুশীলন আদি অনুষ্ঠিত হ'ব।

০০০০০০

**সমাপ্ত**